মোৰ জীৱনৰ কথা



১২।৪।২০০১। ৫-১০। কোঠালিৰ ভিতৰতে চাহ কৰি খালো। সা-সৰঞ্জাম সকলো লৈ আহিছোঁ। অভিনেতা-অভিনেত্রী, টেকনিছিয়ান আদিৰ নামৰ তালিকা এখন কৰি কৃষ্ণ ৰয়ক দিলো—কোন ক'ত থাকিব সেইটো ঠিক কৰিবলৈ। খনীন কোঁৱৰ গুৱাহাটী পালেহি বুলি খবৰ পালো। তেওঁ নিজেই যোগাযোগ কৰিলে। এটা চিন্তা দূৰ হ'ল। 'জীৱন-ৰেখা'ৰ কামত ধৰিলো। আবেলি পাঁচমান বজাত সেইটো কাম শেষ কৰিলো। কালি আহোঁতে গাড়ীত লেখাবোৰ পঢ়ি নিৰ্বাচিতবোৰত দাগ দি আনিছিলো।

সন্ধিয়া অৰুণ নাথ, ৰুণু দেৱী, অৱতোষ ভূঞা আৰু অঞ্জন কলিতা পালেহি। আৱাহন থিয়েটাৰৰ অভিনয় আজি শেষ হ'ব। এতিয়া নিত্যানন্দত হৈ আছে। দিনৰ ভোজলৈ মই নগলো। কাইলৈৰ পৰা কামৰ কাৰণে মানুহ পোৱা যাব। আজি মানুহৰ টনাটনি হৈছে।

ৰাতি অঞ্জন কলিতাক এখন চিত্রনাট্য আৰু Shooting schedule-অৰ কপি এটা দিলো। অৱতোষ আৰু তেওঁক শতাব্দীৰ কাহিনীটো কলো। নুৰুদ্দিনে মানুহ এটা কামত লগাই থৈ গলগৈ। কাইলৈ আহিব।

১৩।৪।২০০১। ৫-১০। চাহ কৰি খালো। Shooting সম্পৰ্কীয় কাগজ-পাতি ঠিক কৰিলো। Continuity sheet এখন ফট'কপি কৰি অনালো। অৰুণ নাথৰ লগত আলোচনা। সহকাৰী অঞ্জনক কামৰ দিহা-পৰামর্শ। পাছবেলা ৰুণু দেৱী, অৰুণ নাথ, অৱতোষ আৰু অঞ্জনক লৈ প্রথম দিনা কামৰ আলোচনা। সন্ধিয়াৰ আগে-আগে কেমেৰা ইউনিট, অতুল বৈশ্য, মেক-আপ মেন আদি পালেহি। মই হস্পিটেলৰ ফার্নিচাৰ চাবলৈ ইয়াৰ হস্পিটেলখনলৈ গলো। সেই ফার্নিচাৰে কাম নিদিব। চিন্তা হ'ল। হস্পিটেলৰ অৱস্থা দেখি দুখ লাগিল। এখন ঠেলাগাড়ীত খেৰ পাৰি, তাত শুৱাই এজন ৰোগীক ওচৰৰ গাঁৱৰ পৰা হস্পিটেললৈ আনিছে। গোপাল জালানহঁতে ককাকৰ নামত এটা ৰার্ড সজাই দিছে। ঘৰটো প্রায় সম্পূর্ণ হৈছে। নুৰুদ্দিন কালি আগবেলাই গলগৈ। আজি আগবেলা অহাৰ কথা। চাৰি বজাত ফোন কৰি তেওঁক গুৱাহাটীৰ ঘৰতে পালো। বৰ খং উঠিল। ছেটিংছৰ কামবোৰ আগ বাঢ়ে কেনেকৈ? শেষ সময়ত বস্তু-বাহানি টনা-আঁজোৱা কৰিব লাগে! মেক-আপ মেন, কেমেৰামেন—সকলোৰে লগত সন্ধিয়া আলোচনা কৰিলো। প্রান্তিকলৈ বস্তু পঠাবলৈ এটা লেফাফা বনালো।

১৪।৪।২০০১। ৪-৪০। চাহ কৰি খালো। সোনকালে গা-পা ধুই সাজু হ'লো। সাত বজাত শ্যুটিঙৰ ঘৰটোলৈ গলো। সকলো মানুহে সময়মতে নিজৰ কামত হাত দিলে। মেক-আপ মেন দীপক দত্তই ছয় বজাতে অৰুণ নাথক মেক-আপ কৰিবলৈ ললে। ৮-৩০ বজাত প্রথম শ্বট লোৱা হ'ল। ৮ বজাত লোৱাৰ কথা আছিল। প্রথম দিন,—নতুন ঠাই,—৮-৩০ বজাত যে আৰম্ভ কৰিব পাৰিলো, তাতে মই সন্তুষ্ট। কাইলৈ কাম আৰু ভাল হ'ব। কৃষ্ণ ৰয় আৰু তেওঁৰ লগৰ মানুহখিনিয়ে ভালকৈ সহায় কৰিছে। Tension-অৰ কাৰণেই হ'বলা,—মোৰ মূৰটো বেয়া লাগি আছিল। ৮-৪০ বজাত কাম শেষ কৰিলো। নলবাৰীৰ পৰা হস্পিটেলৰ বিছনা আৰু আলমাৰি এটা আহি পালেহি। Inspection Bunglow-ত এটা কোঠা পালো। খনীন কোঁৱৰ আহিছিল;—তেওঁৰ হাতত প্রান্তিকলৈ 'জীৱন-ৰেখা'ৰ এটা সংখ্যাৰ জোখাৰে লেখা পঠালো।

১৫।৪।২০০১। ৬-০৫। কালি টোপনি যোৱা বড়ি এটা খাই শুইছিলো। তাৰ গুণ ৰাতি বিশেষ নাপালো; চাৰি বজাৰ পাছতহে টোপনিৰ কোবটো বেছি হ'ল। ৭-১৫—ওলাই গলো। ৮-২০ বজাত প্রথম শ্বট লোৱা হ'ল। যি বুজিলো,—indoor shot ইয়াতকৈ আগতে ল'ব নোৱাৰি। (ইয়াৰ অৱস্থাত।) ১-২৫—শ্যুটিং বন্ধ। খাই-বৈ মই ১-১৫ বজাত ওলাই গলো। নতুন ছে'টত কাম আৰম্ভ। শ্বট আৰম্ভ কৰোঁতে ২-৪৫। আগবেলালৈকে আর্টিষ্ট আছিল অৰুণ নাথ আৰু ৰুণু দেৱী। পাছ বেলা প্রাঞ্জল, অৱতোষ, আশিষ, অৰুণ নাথ, মাধুৰিমা আৰু অনুপ হাজৰিকা। কামৰ গতি মোটামুটি ঠিকেই আছে। ৮-৪৫—আজিলৈ সামৰিলো।

১৬।৪।২০০১। ৫-১০। চাহ কৰি খালো। দিনটোৰ কামৰ এটা হিচাপ কৰি ললো। ৭-১০—ওলাই গলো। আজি ৭-৪০ বজাতে প্রথম শ্বটটো লোৱা হ'ল। কামৰ গতি ভাল হৈ থাকিল। কিন্তু তিনিজন অভিনেতা-অভিনেত্রীৰ বচন মাতোঁতে বাৰে-বাৰে ভুল হোৱাৰ কাৰণে দিনটোৰ ভিতৰত প্রায় এঘণ্টা সময় নষ্ট হ'ল। চেতনা দাসক আজি মুকলি কৰি দিব পাৰিলো। চিত্রনাট্যৰ দৃশ্য জঁপিয়াই-জঁপিয়াই পাৰ হৈ চেতনাৰ কামখিনি শেষ কৰিলো। ৰাতি ৮-৪৫ বজাত আজিলৈ কাম এৰিলো। ৰাতি ঘৰলৈ আহি প্রাঞ্জলৰ লগত আলোচনা। তেওঁক অন্ততঃ ১৯ তাৰিখলৈকে থাকিবলৈ অনুৰোধ কৰিলো। তেওঁ মান্তি হ'ল।

১৭।৪।২০০১। ৪-১৫। মূৰটো বিষাইছিল। ৰাতি উঠি ঔষধ খালো। চাৰি বজাৰ পাছত টোপনি নগল। সোনকালে চাহ একাপ খাই ললো। দিনটোৰ কামৰ তালিকা কৰিলো। ৭-১৫—ওলাই গলো। ৭-৩৫—প্রথম শ্বট লোৱা হ'ল। আজি কামৰ গতি ভাল। কিন্তু কামৰ পৰিমাণ ইমান বেছি যে মনটো মুকলি-মুকলি নালাগে। দিলীপ বৰুৱাক আজি মুকলি কৰি দিবই লাগিব। সেইকাৰণে জাঁপ মাৰি মাৰি কাম কৰি ৯-৩০ বজাত তেওঁক মুকলি কৰি দিব পৰাকৈ কাম শেষ কৰিলো। শোওঁতে ১০-৩০।

কৃষ্ণ ৰয়ে বৰ সহায় কৰিছে। ঘৰৰ বস্তু যি য'ত লাগে, সকলো দিছে। শাৰীৰিকভাৱেও তেওঁ বৰ খাটিছে। হীৰেন ভট্টৰ লগত কেমেৰাৰ বিষয়ে ফোনত কথা পাতিলো।

১৮।৪।২০০১। ৫-০৫। আজি আৰু অহা কেইদিনৰ কামৰ হিচাপ কৰিলো। সোনকালে যাব খোজা অনুপ হাজৰিকাৰ কামখিনি কি কৌশলেৰে শেষ কৰা যায়, তাৰ উপায় চিন্তিলো। ৭-০৫—ওলাই গ'লো। আজি আৰম্ভণিতে কেইবাজনো অভিনেতা-অভিনেত্রী লাগে; গতিকে তেওঁলোকৰ make-up শেষ কৰি প্রথম শ্বট লওঁতে প্রায় আঠ বাজিল। তাৰ পাছত কিন্তু কামৰ গতি ভাল হৈ থাকিল। ৰাতি ঠিক দহ বজাত আজিলৈ সামৰিলো।

পুৱা কামৰূপৰ D. C. শ্রী শইকীয়ালৈ ফোন কৰিলো, অৱতোষ ভূঞাৰ কথা কলো। তেওঁ GMDAৰ বিষয়া। তেওঁ মোৰ ছবিখনত অভিনয় কৰিছে। তেওঁক মই দুদিনমান এই কামৰ বাবে ৰাখিম। শ্রী শইকীয়াই যেন তেওঁৰ ছুটী মঞ্জুৰ কৰে।

১৯।৪।২০০১। ৫-১০। চাহ কৰি খালো। দিনটোৰ কামৰ তালিকা লিখি ললো। আজি মাধুৰিমা আৰু অনুপ হাজৰিকাক বিদায় দিয়াৰ বাবে বিশেষ ধৰণৰ শ্যুটিং-প্লেন কৰিলো। ৭ বজাত ওলালো। প্রথম দৃশ্যত অভিনেতা-অভিনেত্রী সৰহ। Make-up কৰোঁতে সময় লাগিল। ৮ বজাত প্রথম শ্বট লোৱা হ'ল। দুপৰীয়া ভাত খাবলৈ আহোঁতে কৃষ্ণ ৰয়হঁতৰ ঘৰৰ সমুখত তিনিটা (outdoor) শ্বট। ৰাতি ১০-৩০ বজাত কাম শেষ। আজি বহুত কাম হ'ল। বতৰ আৰু কাৰেণ্টে বাৰে-বাৰে আমনি কৰিলে যদিও অইন দিনাতকৈ কাম বেছি হ'ল। শোওঁতে ১১-১৫।

আজি মাধুৰিমা, আশিস শইকীয়া আৰু অনুপ হাজৰিকা গলগৈ।

জিণ্টিয়ে ফোন কৰিলে। দীঘলীয়াকৈ কথা পাতিলে। তাৰ (হিউষ্টনৰ) অসমীয়া মানুহখিনিয়ে বিহু পাতিছিল। বল্টুৱে তবলা বজাইছিল। সিহঁত সকলো ভালে আছে।

(আগলৈ)